

বিজেপিৰ সভাপতিৰ গৃহভূমিত আজি কংগ্ৰেছৰ জনজাগৰণ সভা

অগ্ৰদূত বাৰ্তা

বৰপেটাৰোড, ২৪ মে' ঃ কংগ্ৰেছে বিজেপিৰ ৰাজ্যিক সভাপত ৰণজিৎ কুমাৰ দাসৰ গৃহভূমিৰ পৰাই কাইলৈ ৰণদন্দুভি বজাব। দলটোৱে বৰপেটাৰোডৰ পৰাই বিজেপিৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে সৰৱ হৈ পৰাৰ লগতে সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বৰপেটাৰোড চহৰৰ পৰাই ৰণডংকা বজাব। আজি বৰপেটাৰোড প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত এই কথা সদৰী কৰিছে বৰপেটা জিলা কংগ্ৰেছৰ সভাপতি শান্তনু শৰ্মা আৰু বিধায়ক জাকিৰ হুছেইনে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰে বিগত তিনি বছৰে আৰু সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন মিত্ৰজোঁটে বিগত সময়ছোৱাত ৰাইজক কৰা প্ৰতাৰণাৰ প্ৰত্যুত্তৰ স্বৰূপে বৰপেটাৰোডৰ ড° ভূপেন হাজৰিকা সোঁৱৰণী ময়দানত কংগ্ৰেছে জনজাগৰণ সভাখন আহ্বান কৰা বুলি বিধায়ক হুছেইনে কয়।

দুপৰীয়া অনুষ্ঠিতব্য সভাখনত কংগ্ৰেছৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক অসমৰ পৰ্যবেক্ষকৰ দায়িত্বত থকা চি পি যোশী, প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ, প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা প্ৰাক্তন মন্ত্ৰী ৰিপুন বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, উপ-দলপতি তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন, প্ৰাক্তন মন্ত্ৰী অজন্তা নেওগ, বিধায়ক জাকিৰ হুছেইন, আব্দুল খালেক, শ্বেৰমান আলীকে আদি কৰি কে'বাগৰাকী কংগ্ৰেছী নেতা উপস্থিত থাকিব। ইপিনে, কাইলৈৰ সভাখনৰ জৰিয়তে কংগ্ৰেছে অসম তথা সমগ্ৰ ভাৰতবৰ্ষতে কংগ্ৰেছৰ এটি নতুন যাত্ৰাৰ সূচনা কৰি ৰাইজক বিজেপিৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে সচেতন কৰি দিব বুলি বৰপেটা জিলা কংগ্ৰেছৰ সভাপতি শৰ্মাই সদৰী কৰিছে। কাইলৈ ৰেলযোগে প্ৰাক্তন মুখ্যমন্ত্ৰী গগৈ বৰপেটাত উপস্থিত হৈ প্ৰেছ ক্লাবত এখন সংবাদমেলত সম্বোধিব। ইয়াৰ পাছতে জনজাগৰণ সভাত অংশগ্ৰহণ কৰিব।

ৰাজপথত প্ৰতিবাদ মুখৰ হ'ল আৰক্ষী

পহিলা জুনত অসম আৰক্ষী সঞ্চালকপ্ৰধানৰে আলোচনাৰ প্ৰতিশ্ৰুতি

মহানগৰ বাৰ্তা

গুৱাহাটী, ২৪ মে' ঃ অসম বিশেষ আৰক্ষীৰ জোৱানসকলে চৰকাৰে তেওঁলোকৰ ক্ষেত্ৰত কৰা অৱহেলাৰ প্ৰতিবাদত আজি উত্তাল কৰে মহানগৰীৰ ৰাজপথ। উল্লেখ্য যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰে উগ্ৰপন্থী দমনৰ বাবে ২০০৮ত গঠন কৰিছিল এই বাহিনীটো। তদানীন্তন চৰকাৰে এই বাহিনীটোৰ জোৱানসকলক তিনি নম্বৰ অসম ঔদ্যোগিক নিৰাপত্তাৰক্ষীৰ বেটেলিয়ানত নিযুক্তিৰ বাবে যোৱা ২০১২ত এইছ এম বি ০১/২-১২ নম্বৰৰ এটা ফাইল প্ৰস্তুত কৰিছিল। তদুপৰি এক নম্বৰ আৰু দুই নম্বৰ অসম ঔদ্যোগিক নিৰাপত্তা বাহিনী বেটেলিয়নত খালী হৈ থকা ১২৫টা পদ পূৰণৰ বাবে বেটেলিয়ানে দুটাৰ দায়িত্বত থকা গৃহৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধানে বিগত জানুৱাৰীত অসম চৰকাৰৰ গৃহ বিভাগলৈ এখন পত্ৰও প্ৰেৰণ কৰিছিল; কিন্তু অসম বিশেষ আৰক্ষী বিষয়া কল্যাণ সমিতিৰ সম্পাদক মৃত্যুঞ্জয় বৰাই এই সন্দৰ্ভত কয়, 'পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দৰেই বিজেপি চৰকাৰেও আমাক কোনো সুফল প্ৰদান নকৰিলে।' তেওঁ কয় যে গৃহৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধানে জানুৱাৰীত চৰকাৰৰ গৃহ বিভাগলৈ প্ৰেৰণ কৰা পত্ৰৰ ভিত্তিত বিভাগে এইছ এম বি/৭৭/২০১১-১২ নম্বৰ আৰু এটা ফাইল প্ৰস্তুত কৰিছিল আৰু উক্ত ফাইলৰ কাম কম দিনৰ ভিতৰত শেষ কৰি বিগত ফেব্ৰুৱাৰীতে ১২৫টা পদত জোৱানসকলক নিযুক্তি দিব পাৰিলেহেঁতেন; কিন্তু চৰকাৰে তেনে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে বুলি তেওঁ কয়।

আনহাতে, অসম বিশেষ আৰক্ষী বিষয়া কল্যাণ সমিতিৰ সভাপতি দিলীপ শইকীয়াই কয়, 'উক্ত ফাইল দুটাৰ কাম সম্পূৰ্ণ নোহোৱাৰ কাৰণে সম্পূৰ্ণৰূপে দায়ী গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত সচিব অসীম শৰ্মা।' অভিযোগ অনুসৰি অন্য বিষয়াৰ টেবুলৰ পৰা তেওঁৰ টেবুললৈ ফাইল গ'লেই তেওঁৰ টেবুলতেই এমাহৰ পৰা দুমাহ পৰ্যন্ত পৰি থাকে। তেওঁ অভিযোগ কৰি কয়, 'নিজৰ চৰকাৰী দায়িত্ব অৱহেলা কৰা উক্ত বিষয়াজনৰ বিৰুদ্ধে আজি আমি প্ৰতিবাদী কাৰ্যসূচী পালন কৰিবলৈ বাধ্য হৈছো।' আনহাতে, এই প্ৰতিবাদী কাৰ্যসূচী চলি থকাৰ মাজতেই অসম বিশেষ আৰক্ষী বিষয়া কল্যাণ সমিতিৰ চাৰিজন বিষয়ববীয়াৰে আলোচনাত মিলিত হয় মহা পৰিদৰ্শক প্ৰদীপ শালৈৰে। অসম বিশেষ আৰক্ষী বিষয়া কল্যাণ সমিতিয়ে সদৰী কৰা মতে উক্ত আলোচনাত অহা পহিলা অথবা দুই জুনত অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানে আলোচনাত মিলিত হ'ব অসম বিশেষ আৰক্ষী বিষয়া কল্যাণ সমিতিৰ সভাপতি আৰু সম্পাদকেৰে। উক্ত আলোচনাৰ ভিত্তিত বাহিনীটোৰ দাবী অহা ১২ জুনৰ ভিতৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক অৱগত কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। পাছত প্ৰতিবাদকাৰীসকলে শিক্ষা, স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্য চৰকাৰৰ সচিবপ্ৰধান আৰু অসম আৰক্ষী সঞ্চালকপ্ৰধানলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

লুইতৰ খহনীয়াত শংকিত ছিংগুলিপাৰাবাসী

গাঁঠিৰ ধন ভাঙি বাঁহৰ বান্ধ বান্ধিলে ৰাইজে

বিশেষ সংবাদদাতা

বিলাসীপাৰা, ২৪ মে' ঃ বিলাসীপাৰা পূব আৰু গোৱালপাৰা পশ্চিম সমষ্টিৰ সীমান্তৱৰ্তী গাঁও ছিংগুলিপাৰাৰ ৰাইজ শংকিত হৈছে লুইতৰ খহনীয়াত। বাৰিষাৰ আগমনৰ লগে লগে মহাবাহু ব্ৰহ্মপুত্ৰই গাঁওখনৰ বাসিন্দালৈ সৃষ্টি কৰিছে তীব্ৰ ভাবুকি। গঞা ৰাইজে কয় যে যোৱাটো বানত গাঁওখনৰ দুশ পৰিয়ালৰ বাসগৃহ জাহ গৈছিল বৰলুইতৰ বুকুত। এইবাৰো নদীখনে গাঁওখনত চপৰা চপৰে খহাবলৈ আৰম্ভ কৰিছে। খহনীয়া প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰি তুলিবলৈ ৰাইজে ইতিমধ্যে পশ্চিম গোৱালপাৰাৰ বিধায়ক আব্দুৰ ৰছিদ মণ্ডল, জিলা উপায়ুক্ত, ৰাজহ চক্ৰ বিষয়া আদিক বহুবাৰ আবেদন-নিবেদন কৰিও সুফল নোপোৱাৰ অভিযোগ উত্থাপিত হৈছে। উপায়ান্তৰ গাঁওবাসীয়ে আজি নিজৰ গাঁঠিৰ ধন খৰচ কৰি নিৰ্মাণ কৰিবলৈ লৈছে নিজাববীয়া বাঁহৰ বান্ধ। আজি পুৱাৰে পৰা গাঁওখনৰ বাসিন্দাই বৰলুইতৰ বুকুত বাঁহৰ বান্ধ নিৰ্মাণ কৰি খহনীয়া প্ৰতিৰোধৰ তৎপৰতা চলাইছে। এই বান্ধেৰে বৰলুইতক ভেটিবলৈ চেষ্টা চলোৱা এইসকল গঞা ৰাইজে দুপৰীয়া নৈখনৰ পাৰত অনুষ্ঠিত কৰে সমূহীয়া প্ৰাৰ্থনা। এতিয়া যেন ঈশ্বৰেই এওঁলোকৰ শেষ ভৰসা।

ব্ৰহ্মপুত্ৰই ব্যাপক খহনীয়াই ত্ৰাসিত কৰিছে বিলাসীপাৰাৰ ছিংগুলিপাৰা গাওঁবাসীক।

ছয় চোৰ জেললৈ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ২৪ মে' ঃ মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত বাকাইটাৰীৰ চাহ দোকান এখন সংঘটিত চুৰি কাণ্ডত জড়িত থকাৰ অভিযোগত কালি আৰক্ষীয়ে আটক কৰা ছয় অভিযুক্তক আজি জেল হাজোতলৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে ১৩ মে'ৰ নিশা সংঘটিত চুৰি কাণ্ডত জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে পূৰ্বতে দুজন লোকক জেললৈ প্ৰেৰণ কৰিছে। ঘটনা সন্দৰ্ভত মাটিয়াৰ আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধি আইনৰ ৪৫৭/৩৮০ ধাৰাত ৫০/১৭ নম্বৰত এক গোচৰ ৰুজু কৰিছে। অভিযুক্তকেইজন পেহচান আলী (২৪), মিৰাজ আলী শ্বেখ (২১), ছাদ্দাম মণ্ডল (২০), সোণোৱাৰ আলী মোল্লা ওৰফে মনু (২৪), ছাইনুৰ আলী (১৮) আৰু ছাইফুল মণ্ডল ওৰফে লালবুঢ়া (২২)।

গ্ৰাহকৰ অভাৱত ভঁৰালত পচিছে বস্তাই বস্তাই আলু

চৰকাৰৰ বৰ্ষপূৰ্তিৰ সময়তে সৰ্থেবাৰীত কৃষকৰ দুৰ্দশা

অগ্ৰদূত বাৰ্তা

সৰ্থেবাৰী, ২৪ মে' ঃ পৰিৱৰ্তনৰ শ্ল'গান দি ৰাজ্যত শাসনভাৰ লোৱা বিজেপি চৰকাৰৰ এবছৰীয়া বৰ্ষপূৰ্তিৰ প্ৰস্তুতি তুংগত উঠাৰ সময়তে কপালৰ ঘাম মাটিত পেলাই কৃষকে কৰা আলু বস্তাই বস্তাই পচিছে সৰ্থেবাৰীত। মাথোঁ সেয়াই নহয়, দুৰ্ভগীয়া কৃষকৰ এই উৎপাদিত ফচল গৰু-ম'হৰ খাদ্য হৈছে। উল্লেখ্য যে বৰপেটা জিলাৰ সৰ্থেবাৰী ৰাজহ চক্ৰটো এক কৃষিপ্ৰধান অঞ্চল। ৰাজহ চক্ৰৰ অন্তৰ্গত শিংৰা, গহিয়া, বোগছাৰা, গৰৰটাৰী, বুৰিথামাৰকে ধৰি ২০ খনতকৈও অধিক গাঁৱৰ কে'বা শতাধিক কৃষকে বছৰি ধান খেতিৰ লগতে আলু খেতি কৰি আহিছে। এইবেলিও গাঁওকেইখনৰ কে'বা শতাধিক কৃষকে প্ৰায় ২০ হেজাৰ বিঘা মাটিত বিভিন্ন জাতৰ আলুৰ খেতি কৰি হেজাৰ হেজাৰ কুইণ্টল ফচল উৎপাদন কৰে। কিন্তু সংৰক্ষণৰ বাবে শীতলীকৰণ গৃহৰ অভাৱৰ বাবে উৎপাদিত ফচলসমূহ বস্তাই বস্তাই বৰ্তমান পচিবলৈ ধৰাত এইবোৰ এতিয়া গৰু-ম'হৰ খাদ্য হৈ পৰিছে। ইফালে, উৎপাদিত আলু বিক্ৰীৰ ক্ষেত্ৰতো কৃষকসকলে লাভ কৰা নাই প্ৰকৃত বজাৰ মূল্য।

যি সময়ত ৰাজ্য চৰকাৰৰ কৃষি বিভাগে প্ৰতি কুইণ্টল আলুৰ বজাৰ মূল্য পাঁচশ টকা নিৰ্ধাৰণ কৰিছে সেই সময়তে সৰ্থেবাৰী অঞ্চলৰ কৃষকে সেয়া বিক্ৰী কৰিছে মাথোঁ ১০০ৰ পৰা দুশ টকাত। এইসকল কৃষকক সহায়ৰ বাবে কৃষি বিভাগে আনকি সৰ্থেবাৰী অঞ্চলত স্থাপন কৰা নাই কোনো ক্ৰয় কেন্দ্ৰও। নিজৰ মূলধনৰ অভাৱৰ বাবে ব্যক্তিগত ঋণ লৈ আলু খেতি কৰা এইসকল কৃষকৰ কষ্টোপাৰ্জিত ফচল এইদৰে পচি যাবলৈ ধৰাত বিমোৰত পৰিছে। ইফালে, দুৰ্দশাগ্ৰস্ত কৃষকসকলৰ খবৰ ল'বলৈ অঞ্চলটোত উপস্থিত হোৱা নাই বিভাগটোৰ কোনো বিষয়া-কৰ্মচাৰী। অভিযোগ মতে, সৰ্থেবাৰী অঞ্চলত কৃষকসকলে সন্মুখীন হোৱা এনেকুৱা বিপৰ্যয় এয়ে প্ৰথম নহয়। প্ৰতি বছৰে কৃষক ৰাইজে আহুকলীয়া পৰিস্থিতিৰে মোকাবিলা কৰিবলগীয়া হয়। বাৰিষা অঞ্চলটোৰ মাজেৰে যোৱা টিহু, কালদিয়া আৰু বুঢ়াদিয়া নৈয়ে কৃষিভূমি প্লাৱিত কৰি কৃষকৰ সপোন চূৰমাৰ কৰে। যাৰ বাবে তেওঁলোকে অতি আশাৰে ৰবি শস্যৰ খেতি কৰে। কিন্তু তাতো বিভিন্ন সমস্যাৰ সন্মুখীন হয় তেওঁলোক। এই ক্ষেত্ৰত উপযুক্ত বজাৰৰ অভাৱে কৃষকসকলৰ প্ৰধান সমস্যা। অঞ্চলটোৰ শোচনীয় যাতায়াত ব্যৱস্থাৰ বাবেই কৃষকে উৎপাদিত ফচল বিক্ৰী কৰিবলৈ নিব নোৱাৰে আন ঠাইলৈ। এই দুৰ্বলতাৰ সুযোগ লৈ এচাম অসাধু ব্যৱসায়ে কম দামতে সেয়া ক্ৰয় কৰে। একেদৰে উৎপাদিত ফচলসমূহ সংৰক্ষণৰ বাবে নাই শীতলীকৰণ ভঁৰাল। ১৮৯৪ তে ব্ৰিটিছৰ শোষণমূলক খাজনা বৃদ্ধিৰ প্ৰতিবাদত কৃষক বিদ্ৰোহ সংঘটিত কৰা সৰ্থেবাৰীৰ ৰাইজৰ স্বাধীনোত্তৰ কালতো কোনো পৰিৱৰ্তন নোহোৱা অঞ্চলটোৰ কৃষক ৰাইজৰ পৰিৱৰ্তনৰ বাবে পৰিৱৰ্তনকামী চৰকাৰখনে কি পদক্ষেপ গ্ৰহণ কৰিব সেয়া সময়েহে ক'ব।

গ্ৰাহকৰ অভাৱত সৰ্থেবাৰীত বস্তাই বস্তাই পচিছে আলু।

হোজাইত গা ধুবলৈ গৈ দুই ভ্ৰাতৃৰ সলিল সমাধি

অগ্ৰদূত বাৰ্তা

হোজাই, ২৪ মে' ঃ হোজাই থানাৰ অন্তৰ্গত আমলিপুখুৰী গাঁৱত আজি সন্ধিয়া সংঘটিত হ'ল এক শোকাবহ ঘটনা। গাঁওখনৰ নিবাসী জাকিৰ হুছেইনৰ দুই সন্তান ক্ৰমে জুৱেৰ আহমেদ (১৩) আৰু চলমান আহমেদ (১০) নামৰ শিশু দুটিয়ে বিদ্যালয়ৰ পৰা উভতি অহাৰ পাছত গাঁওখনৰে এঘৰৰ বাৰীৰ পাছফালে থকা এটা পুখুৰীত গা ধুবলৈ যায়; কিন্তু দুৰ্ভাগ্যজনকভাৱে অসাৱধানবশতঃ পুখুৰীত পৰি দুই ভ্ৰাতৃৰ সলিল সমাধি ঘটে। বহু সময় শিশু দুটি ঘৰলৈ নহাত পৰিয়ালৰ লোক চিন্তিত হৈ পৰে আৰু বিচাৰ-খোচাৰ কৰাত সন্ধিয়া পুখুৰীত উপঙি থকা অৱস্থাত শিশু দুটিৰ মৃতদেহ উদ্ধাৰ কৰে। মৃত শিশু দুটাৰ মৃতদেহ ৰাইজে উদ্ধাৰ কৰাৰ পাছত আৰক্ষী উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণৰ ব্যৱস্থা কৰে। উল্লেখ্য যে মৃত শিশু দুটি যোগীজান জাতীয় বিদ্যালয়ত সপ্তম আৰু পঞ্চম শ্ৰেণীত অধ্যয়নৰত আছিল। মৃত শিশু দুটিৰ পিতৃ জাকিৰ কৰ্মসূত্ৰে ডিমাপুৰত থকাত মাতৃয়ে পাঁচটি সন্তানৰ স'তে গাঁওখনতে বসবাস কৰিছিল। এতিয়া দুই সন্তানৰ আকস্মিক মৃত্যুত মৰ্মাহত কৰি তুলিছে মাতৃক। সমগ্ৰ অঞ্চলটোৰ ৰাইজৰ মাজতো শোকৰ ছাঁ পৰিছে।

ছাত্ৰ-ছাত্ৰীৰ দুৱাৰ-খিৰিকীৰে পলায়ন

ৰূপহীহাটত টিকাকৰণৰ আতংক

উৰাবাতৰিত হাতত লাঠি লৈ ওলাই আহিল ক্ষুব্ধ অভিভাৱক

অগ্ৰদূত বাৰ্তা

ৰূপহীহাট, ২৪ মে' ঃ জাপানী এনকেফেলাইটিছৰ টিকাকৰণক কেন্দ্ৰ কৰি ৰাজ্যৰ ধৰ্মীয় সংখ্যালঘু অঞ্চলসমূহত অব্যাহত থকা আতংকময় পৰিস্থিতি শেহতীয়াকৈ মধ্য অসমৰ নগাঁও জিলালৈ সম্প্ৰসাৰিত হৈছে। আজি ৰূপহীহাট সমষ্টিৰ উত্তৰ খাটোৱালত এনকেফেলাইটিছৰ টিকাকৰণ কৰা হ'ব বুলি প্ৰচাৰিত বাতৰিক কেন্দ্ৰ কৰি শিক্ষানুষ্ঠানসমূহত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। উত্তৰ খাটোৱাল এম ই মাদ্ৰাছা আৰু উত্তৰ খাটোৱাল ফখৰুদ্দিন আলী আহমেদ বালিকা এম ই মাদ্ৰাছাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত টিকাকৰণৰ বাতৰি বিয়পি পৰাত হুৱাদুৱা লাগে। দুয়োখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে টিকাকৰণৰ আতংকত দুৱাৰ-খিৰিকীৰে যেনি-তেনি পলায়ন কৰে। ইয়াতে ক্ষুণ্ণ হৈ একাংশ অভিভাৱকে হাতত লাঠি, দা আদি লৈ শিক্ষানুষ্ঠান দুখনৰ সন্মুখত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। বহু অভিভাৱকে এনকেফেলাইটিছৰ টিকাকৰণক আৰ এছ এছৰ টিকা বুলি অভিহিত কৰি ইয়াৰ জৰিয়তে এক নিৰ্দিষ্ট ধৰ্মীয় গোষ্ঠীৰ জনসংখ্যা গ্ৰাস কৰাৰ বাবে চৰকাৰে ষড়যন্ত্ৰ কৰা বুলিও অভিযোগ কৰে। পাছত শিক্ষক আৰু সচেতন লোকসকলে শিক্ষানুষ্ঠান দুখনত কোনো স্বাস্থ্য কৰ্মীয়ে টিকাকৰণ কৰিবলৈ অহা নাই বুলি সদৰী কৰি এয়া উৰাবাতৰি বুলিহে বুজনি দিয়াত পৰিস্থিতিৰ শাম কাটে।

উত্তৰ গুৱাহাটীত চাফাই

অগ্ৰদূত বাৰ্তা

উত্তৰ গুৱাহাটী, ২৪ মে' ঃ বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰৰ বৰ্ষপূৰ্তিৰ লগত সংগতি ৰাখি আজি উত্তৰ গুৱাহাটী নগৰ বিজেপি সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত এক চাফাই অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উত্তৰ গুৱাহাটী নগৰ বিজেপি সমন্বয়ৰক্ষীৰ সভাপতি ধৈৰ্য বৰুৱা আৰু জালুকবাৰী মণ্ডল বিজেপিৰ উপ-সভাপতি প্ৰদীপ ভট্টাচাৰ্যই নেতৃত্ব দিয়া উত্তৰ গুৱাহাটী নগৰ বুথ সমিতিসমূহৰ সভাপতিসকলৰ লগতে অৰ্ধ শতাধিক কৰ্মীয়ে অংশগ্ৰহণ কৰে। উত্তৰ গুৱাহাটী নগৰ বিজেপি কাৰ্যালয়ৰ আশে-পাশে শিল সাঁকোত এই চাফাই অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

মধ্যাহ্ন ভোজনৰ চাউল বিক্ৰী কৰি গ্ৰেপ্তাৰ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি

অগ্ৰদূত বাৰ্তা

জৰুৱা-বন্দিহানা, ২৪ মে' ঃ কণ কণ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মুখৰ আহাৰ কাঢ়ি নি চোৰাংকৈ মধ্যাহ্ন ভোজনৰ চাউল বিক্ৰী কৰি আৰক্ষীৰ হাতত আটক হ'বলগীয়া হৈছে এজন বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি। ধুবুৰী জিলাৰ বিলাসীপাৰা প্ৰাথমিক শিক্ষা খণ্ডৰ বিদ্যালয়ত সংঘটিত হৈছে এই ঘটনা। শিক্ষা কাৰ্যালয়ৰ অন্তৰ্গত ৩১৫ নম্বৰ তিন থাপা প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আৰু প্ৰধান শিক্ষকে ১১ কুইণ্টল চাউল চোৰাংকৈ বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হৈছিল। ঘটনা সন্দৰ্ভত স্থানীয় কেইজনমান সচেতন লোকে জৰুৱা-বন্দিহানা আৰক্ষী চকীত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে গোচৰ ৰুজু কৰে। আজি আৰক্ষীয়ে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি চামছুল হকক গ্ৰেপ্তাৰ কৰে। অভিযোগ মতে, বিদ্যালয়খনৰ প্ৰধান শিক্ষকজনে অলপতে জৰুৱা বন্দিহানা সমবায় সমিতিৰ পৰা চাউলখিনি সংগ্ৰহ কৰি সভাপতিজনক চমজাই দিছিল। পাছত সেয়া সভাপতিজনে চোৰাংকৈ বিক্ৰী কৰে। কাইলৈ ধৃত সভাপতিজনক ধুবুৰীৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হ'ব বুলি আৰক্ষী সূত্ৰত প্ৰকাশ।

ইৰি ধানত পতান ঃ কৃষক সভাৰ ধিক্কাৰ সমাৱেশ কলাগাছিয়াত

ছয় জুনত বৰপেটাত আন্দোলনৰ হুংকাৰ

অগ্ৰদূত বাৰ্তা

কলগাছিয়া, ২৪ মে' ঃ বৰপেটা জিলাৰ কলগাছিয়া, ক্ষুদ্ৰকুছি আৰু মইনবড়ী কৃষি চক্ৰ অঞ্চলত বিগত দুবছৰ ধৰি হাইব্ৰীড জাতৰ ইৰি ধানৰ পতান হৈ কৃষকে আত্মহত্যা কৰাৰ পৰিস্থিতি হোৱাৰ পাছতো চৰকাৰে ক্ষতিগ্ৰস্তসকলক ক্ষতিপূৰণ নিদিয়াৰ বিৰুদ্ধে কলগাছিয়া আঞ্চলিক কৃষক সভাৰ নেতৃত্বত আজি কলগাছিয়া ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ সন্মুখত ধিক্কাৰ সমাৱেশ পালন কৰা হয়। কৃষিক্ষেত্ৰলৈ চৰম ভাবুকি কঢ়িয়াই অনা পতান কাণ্ড সংঘটিত হোৱাৰ পাছত কৃষক সভা আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে কলগাছিয়া ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত কে'বালানি আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিছে। কিন্তু বিভিন্ন সংবাদ মাধ্যমৰ জৰিয়তে ইতিমধ্যে কৃষিমন্ত্ৰীয়ে উক্ত হাইব্ৰীড জাতৰ ইৰি ধানৰ বীজ চৰকাৰীভাৱে অনুমোদিত বুলি স্বীকাৰ কৰা সত্ত্বেও কৃষকৰ ক্ষতিপূৰণৰ বাবে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ কৰিছে কৃষক সভাই। আনকি ভুৱা বীজ কেলেংকাৰিত জড়িত কোম্পানী আৰু কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। আনহাতে, ২০১৬ত বৃহত্তৰ কলগাছিয়া অঞ্চলত হোৱা ইৰি ধানৰ পতানত ক্ষতিগ্ৰস্ত কৃষকক ক্ষতিপূৰণৰ প্ৰতিশ্ৰুতি দিছিল যদিও আজিলৈকে আদায় নিদি কৃষকক প্ৰতাৰণা কৰাৰ অভিযোগ উঠিছে। কৃষিমন্ত্ৰীয়ে তদন্ত কমিটী গঠনৰ মাজেৰে ক্ষতিগ্ৰস্ত কৃষকক ক্ষতিপূৰণ দিয়াৰ যি প্ৰতিশ্ৰুতি দিছিল, সেয়াও ফুটুকাৰ ফেনত পৰিণত হৈছে। তদুপৰি অঞ্চলটোত এতিয়াও নকল বীজ, সাৰ, কীটনাশক দ্ৰব্য আদিৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত থকাৰ অভিযোগ কৰে কৃষক নেতা চান মামুদ আহমেদে। চৰকাৰে শস্য, বীজ, বীমা আঁচনি আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ ঢাক-ঢোল বজাইছে যদিও আজিলৈকে বৃহত্তৰ অঞ্চলটোত কোনো ধৰণৰ শস্য বীমা আঁচনি কাৰ্যতঃ ৰূপায়িত নোহোৱাৰো গুৰুতৰ অভিযোগ কৰে। শস্যত পতান হোৱাত পৰৱৰ্তী চৰকাৰে কৃষক ৰাইজক সজাগ কৰাৰ বাবে কোনো ধৰণৰ সজাগতা সভাৰ ব্যৱস্থা হাতত লোৱা নাই বুলিও অভিযোগ কৰে। এই সন্দৰ্ভত কলগাছিয়া আৰু তিতাপানী আঞ্চলিক কৃষক সভাৰ সম্পাদক ক্ৰমে চানমামুদ আহমেদ, আব্দুল হালিমৰ স্বাক্ষৰিত এখন চাৰিদফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ কলগাছিয়া ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। সমাবেশস্থলীত ভুক্তভোগী কৃষকসকলে মুখত ক'লা কাপোৰ বান্ধি কৃষি বিভাগ তথা কৃষিমন্ত্ৰী অতুল বৰাক ধিক্কাৰ জনোৱাৰ লগতে দাবী পূৰণ নকৰিলে অহা ছয় জুনত বৰপেটাত আন্দোলনৰ কাৰ্যসূচী হাতত ল'ব বুলি হুংকাৰ দিয়ে।

বালিকা বিদ্যালয়ৰ সোণালী জয়ন্তী

অগ্ৰদূত বাৰ্তা

শিৱসাগৰ, ২৪ মে' ঃ আজি শিৱসাগৰ নগৰৰ সমীপৰ নামতিৰ নামতিপুল বালিকা বিদ্যালয়ৰ সোণালী জয়ন্তী অনুষ্ঠান অনুষ্ঠিত হৈ যায়। পুৱা পতাকা উত্তোলন কৰে অধ্যক্ষা ডিম্বেশ্বৰী গগৈয়ে। স্মৃতি তৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক টংকেশ্বৰ বৰুৱাই। অন্তৰংগ আলাপ অনুষ্ঠান উদ্বোধন কৰে প্ৰাক্তন প্ৰধান শিক্ষক ৰসৰাম দত্তই। মুকলি সভাত সভাপতিত্ব কৰে পুলিন খনিকৰে। মুকলি সভাত আছুৰ সম্পাদক অজিত হাজৰিকা, অধিবিদ্যা পৰিষদৰ সহকাৰী সম্পাদক পৱিত্ৰ ভট্টাচাৰ্য, বিজয়কৃষ্ণ দত্ত, মধ্য ইংৰাজী শিক্ষক সন্থাৰ সভাপতি চামচুল বাৰিককে আদি কৰি বিশিষ্ট লোকসকলে অংশগ্ৰহণ কৰে। আনহাতে, স্মৃতিগ্ৰন্থ উন্মোচন কৰে পুলিন খনিকৰে। সন্ধিয়া 'একলব্যৰ গুৰু দক্ষিণা' নাট মঞ্চস্থ কৰা হয়।

হোজাইত নিশা স্বামীয়ে ঘৰৰ পৰা খেদিলে পত্নীক

কেৰাচিন ঢালি হত্যাৰ চেষ্টা ব্যৰ্থ

অগ্ৰদূত বাৰ্তা

হোজাই, ২৪ মে' ঃ হোজাই থানাৰ অন্তৰ্গত পশ্চিম গোপাল নগৰ গাঁৱত যোৱা নিশা স্বামীয়ে যৌতুকৰ দাবীত পত্নীসহ সন্তানক নিশা ঘৰৰ পৰা খেদি দিয়ে। গাঁওখনৰ খুৰ্শিদ আলমৰ বিগত তিনি বছৰ পূৰ্বে হাচনাৰা বেগমৰ লগত বিবাহপাশত আৱদ্ধ হৈছিল। বিয়াৰ পাছৰে পৰা যৌতুকৰ দাবীত খুৰ্শিদে পত্নীৰ ওপৰত অত্যাচাৰ চলাই আহিছিল। ইয়াৰ মাজতে তেওঁলোকৰ মাজলৈ এটা সন্তানো আহে। কিন্তু তাৰ পাছতো স্বামীৰ অত্যাচাৰ নকমিল। যৌতুকৰ দাবীত স্বামীয়ে কে'বাবাৰো কেৰাচিন ঢালি জ্বলাই দিয়াৰ অপচেষ্টা চলোৱাৰো অভিযোগ পত্নী হাচনাৰাৰ। কোনোমতে প্ৰাণৰক্ষা পৰা হাচনাৰাৰ ওপৰত যোৱা নিশা স্বামীয়ে যৌতুকৰ দাবীত অত্যাচাৰ চলাই সন্তানসহ ঘৰৰ পৰা উলিয়াই দিয়ে। ভুক্তভোগী মহিলাগৰাকীয়ে স্থানীয় কে'বাগৰাকী মহিলাৰ সহযোগত নিশা হোজাই থানাত হাজিৰ হৈ সমগ্ৰ কথা বিৱৰি কোৱাত আৰক্ষীয়ে মহিলাগৰাকীৰ স্বাস্থ্য পৰীক্ষা কৰে।

ডিমৌত পথ দুৰ্ঘটনাত শিশু-মহিলাসহ আহত ১১

গুৰুতৰসকলক ডিব্ৰুগড়লৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

ডিমৌ, ২৪ মে' ঃ ডিমৌ সমীপৰ দিহাজানত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি বিয়লি সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। ডিব্ৰুগড়মুখী এখন ট্ৰেভেলাৰে নিয়ন্ত্ৰণ হেৰুৱাই ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে ৰাখি থোৱা এখন মালবাহী ট্ৰাকত প্ৰচণ্ড জোৰেৰে খুন্দা মাৰে। ফলত শিশু-মহিলাসহ ১১জন যাত্ৰী গুৰুতৰভাৱে আহত হয়। আহত ব্যক্তিকেইজন হৈছে যোৰহাট চৰাইবন্ধাৰ নকুল ভট্টাচাৰ্য, তেওঁৰ পত্নী মঞ্জু ভট্টাচাৰ্য, মৰাণ দিখাৰীৰ নিজৰা ৰাজকোঁৱৰ, গোলাঘাটৰ পৰাগ দাস, আনন্দ দাস আৰু ট্ৰেভেলাৰখনৰ চালক ডিব্ৰুগড়ৰ গেহেম বজাৰৰ বিজয় কৰ আদি। ঘটনাৰ বিৱৰণি অনুসৰি এ এছ-০৬ বি চি-০৬৬৪ নম্বৰৰ যাত্ৰীবাহী ট্ৰেভেলাৰখনে যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ আহি থকাৰ পথত ডিমৌৰ সমীপৰ দিহাজানত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত ৰাখি থোৱা এ এছ-১১ এ চি-৬৬৪৬ নম্বৰৰ মালবাহী ট্ৰাকখনত নিয়ন্ত্ৰণ হেৰুৱাই পাছফালৰ পৰা খুন্দা মাৰে। ফলত ট্ৰেভেলাৰখনৰ ১৭জন যাত্ৰীৰ ভিতৰত ১১জন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। লগে লগে প্ৰত্যক্ষদৰ্শীয়ে তৎপৰতাৰে ট্ৰেভেলাৰখনৰ পৰা যাত্ৰীসকলক উদ্ধাৰ কৰি গুৰুতৰভাৱে আহতসকলক ডিমৌৰ যান-বাহন আৰক্ষীৰ সহযোগত ডিমৌ আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰায়। ডিমৌৰ চিকিৎসকে প্ৰাথমিক চিকিৎসা প্ৰদান কৰাৰ পাছত গুৰুতৰভাৱে আহত ট্ৰেভেলাৰখনৰ চালক বিজয় কৰ, যোৰহাটৰ দম্পতী নকুল ভট্টাচাৰ্য, মঞ্জু ভট্টাচাৰ্য আৰু গোলাঘাটৰ আনন্দ দাসক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

থলুৱা প্ৰজাতিৰ কণীযুক্ত মাছৰ নিধন যজ্ঞ ডিমৌত

কণীযুক্ত মাছ খাই খাই নোদোকা হৈছে নিতাইপুখুৰীৰ আৰক্ষী ঃ নীৰৱ মীন বিভাগ

অগ্ৰদূত বাৰ্তা

ডিমৌ, ২৪ মে' ঃ মীন আইন উলংঘা কৰি ডিমৌৰ সমীপৰ দিহিংমুখ, লাইবিল, ভেকুৰি চাপৰি আদি অঞ্চলৰ একাংশ ব্যৱসায়ীয়ে দিহিং আৰু ব্ৰহ্মপুত্ৰ নদীৰ পৰা কণীযুক্ত থলুৱা মাছ ধৰি নিতৌ বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। ইপিনে, নিতাইপুখুৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনে থলুৱা প্ৰজাতিৰ কণীযুক্ত মাছ নিধন কৰি অহা ব্যৱসায়ীসকলক নাকী লগোৱাৰ পৰিৱৰ্তে একাংশ মৎস্য ব্যৱসায়ীৰ পৰা ৰৌ, বাহু, মিৰিকা আৰক্ষী কনিষ্টবলৰ সহযোগত ধৰি মীন বিভাগক অৱগত নকৰাকৈ জব্দকৃত মাছসমূহ গতাই নিদি জুতি লগাই এসাঁজ খোৱা বুলি মৎস্য ব্যৱসায়ীসকলে অভিযোগ উত্থাপন কৰিছে। উত্থাপিত অভিযোগ মতে নিতাইপুখুৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া গুণেশ্বৰ কুমাৰৰ নিৰ্দেশত থানাখনৰ ৰাজখোৱা উপাধিৰ হোমগাৰ্ডজনে অলপতে বিভিন্ন প্ৰজাতিৰ কণীযুক্ত থলুৱা মাছ কঢ়িয়াই অনা এখন গাড়ীৰ পৰা দুটা মাছ ভাৰপ্ৰাপ্ত বিষয়াৰ নামত কাঢ়ি লোৱাৰ লগতে দুহেজাৰ টকা লৈ গাড়ীখন জব্দ কৰে। ইয়াৰ বিপৰীতে মৎস্য ব্যৱসায়ীসকলক উৎসাহিত কৰি পলাই যাবলৈ সুবিধা প্ৰদান কৰে। থানাখনত পঞ্জীয়নভুক্ত হৈ থকা বিভিন্ন গোচৰৰ তদন্ত খৰতকীয়াকৈ কৰাৰ বিপৰীতে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনে কেনেদৰে তৃপ্তিৰে এসাঁজ খাওঁ তাৰ তাগিদাতে মাত্ৰ নিম্ন পৰ্যায়ৰ আৰক্ষী কনিষ্টবল আৰু হোমগাৰ্ডক প্ৰতিদিনাই নিয়োগ কৰি অসাধু ব্যৱসায়ীসকলৰ পৰা ডাবি-ধমকিৰে কণীযুক্ত মাছ খাই আহিছে। আজি পুৱা নিতাইপুখুৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কুমাৰৰ নিৰ্দেশত দত্ত উপাধিৰ সহকাৰী উপ-পৰিদৰ্শকজনে কেইজনমান আৰক্ষী কনিষ্টবল লৈ গৈ নিতাইপুখুৰীৰ সমীপত মাছভৰ্তি এখন ইণ্ডিকা গাড়ী জব্দ কৰে। পাছত আৰক্ষীৰ দলটোৱে কণীযুক্ত মাছভৰ্তি ইণ্ডিকা গাড়ীখন থানালৈ লৈ আনে আৰু বৃহৎ বৃহৎ প্ৰজাতিৰ সাতটাকৈ মাছ ডাবি-ধমকি দি কাঢ়ি ৰাখি থোৱাৰ লগতে কণীযুক্ত মাছভৰ্তি ইণ্ডিকা গাড়ীখন জব্দ কৰি মীন বিভাগক গতাই দিয়াৰ পৰিৱৰ্তে উৎকোচ লৈ এৰি দিয়ে। পাছত এই সমগ্ৰ ঘটনাৰ বিষয়ে স্থানীয় ৰাইজ অৱগত হৈ আৰক্ষীৰ উৰ্দ্ধতন কৰ্তৃপক্ষক অৱগত কৰাত উৰ্দ্ধতন আৰক্ষী বিষয়াৰ নিৰ্দেশত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনে অনা কণীযুক্ত মাছসমূহ মীন বিভাগক গতাই দিবলৈ বাধ্য হয়। তদুপৰি মাত্ৰ কেইটামান মাছহে আৰক্ষী বিষয়াজনে মীন বিভাগক গতাই দিয়াৰ বিপৰীতে গৰিষ্ঠসংখ্যক মাছৰেই সোৱাদ লয়। স্থানীয় ৰাইজ আৰু মৎস্য ব্যৱসায়ীৰ অভিযোগৰ ভিত্তিত ডিমৌৰ দুজনমান সাংবাদিক নিতাইপুখুৰী আৰক্ষী চকীত উপস্থিত হৈ অবৈধ কণীযুক্ত মাছ ধৰাৰ বিষয়ে জানিব বিচৰাত আৰক্ষী বিষয়াজনে কোনো ধৰণৰ মাছ জব্দ কৰা নাই বুলি জানিবলৈ দিয়ে।